ULB

# Assamese Unlocked Literal Bible

## যোহনৰ তৃতীয় পত্র

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্ৰ

**৩যো** 5
যোহনৰ তৃতীয় পত্ৰৰ পাতনি 5
5
Chapter 1 5
**অবদানকাৰী** 6
Assamese Unlocked Literal Bible অবদানকাৰী 6
Tischendorf Greek New Testament 8th edition অবদানকাৰী 6

# ৩যো

## যোহনৰ তৃতীয় পত্ৰৰ পাতনি

‘যোহনৰ তৃতীয় পত্ৰ’খন পাঁচনি যোহনে লিখিছিল। খ্ৰীষ্টৰ জন্মৰ পাছত, খ্ৰীষ্টাব্দ 50 পৰা 100 ভিতৰত তেওঁ এই পত্ৰখন লিখিছিল। যোহনে নিজক এই পত্ৰৰ লেখক হিচাবে পৰিচয় দিয়া নাই, কিন্তু তাৰ পৰিবৰ্তে তেওঁ নিজকে পৰিচাৰক বুলিহে উল্লেখ কৰিছে (1:1)। 2 যোহন 1:1 পদত যোহনে একেৰূপ কাৰ্য কৰাৰ উদ্ধৃতি দিছে। বিশ্বাস কৰা হয় যে, যোহনে লিখা শুভবাৰ্তাখন যোহনে লিখিছিল আৰু তেওঁ যেতিয়া ইফিচত আছিল, তেতিয়া তেওঁ ‘প্ৰথম যোহন’, দ্বিতীয় যোহন’ আৰু তৃতীয় যোহন’ এই তিনিখন পত্ৰ লিখিছিল।

এই পত্ৰখন যোহনে গায় নামৰ এজন বিশ্বাসী ভাইক সম্বোধন কৰি লিখিছে। যোহনে গায়ক এজন বন্ধুৰূপে সম্বোধন কৰিছে আৰু তেওঁৰ এলেকাৰ মাজেদি যাত্ৰা কৰা খ্ৰীষ্টিয়ান ভাইসকলৰ প্ৰতি অতিথিপৰায়ণ হ’বলৈ যোহনে তেওঁক পৰামৰ্শ দিছে।

চমু বিৱৰণ: যোহনে তেওঁৰ চিঠিৰ পাতনি দিছে (1:1)। তাৰ পাছত তেওঁ গায়ক উদগণি দিছে, আৰু তেওঁক ভাইসকলৰ প্ৰতি অতিথিপৰায়ণতা প্ৰদৰ্শন কৰিবলৈ নিৰ্দেশ দিছে (1:2-8)। যোহনে দিয়ত্ৰিফি আৰু দীমীত্ৰিয় নামৰ দুজন লোকৰ সম্বন্ধেও বৰ্ণনা দিছে (1:9-12)। অৱশেষত তেওঁ নিজৰ চিঠিৰ সামৰণি মাৰিছে। (1:13-14)।

## Chapter 1

### গায় নামৰ এজন ব্যক্তিৰ প্ৰতি পত্ৰ

1মই পৰিচাৰক, মই যি জনক সত্যৰে প্ৰেম কৰোঁ, সেই প্ৰিয় গায়ৰ সমীপলৈ।

2হে প্ৰিয়জন, আপোনাৰ প্ৰাণ যেনে কুশলপ্ৰাপ্ত, তেনেকৈ সকলো বিষয়তে আপোনাৰ কুশল আৰু সু-স্বাস্থ্য হওক, এই মোৰ প্ৰাৰ্থনা। 3যেতিয়া
ভাই সকলে আহি আপোনাৰ অন্তৰত থকা সত্যৰ বিষয়ে, অৰ্থাৎ আপুনি যে সত্যক ধৰি ৰাখি জীৱন-যাপন কৰি আছে, সেই বিষয়ে সাক্ষ্য
দিয়াত, মই অতিশয় আনন্দিত হ’লোঁ। 4মোৰ সন্তান সকল সত্যত চলাৰ বাৰ্তা শুনিলে যি আনন্দ জন্মে, সেই বিষয়তকৈ অধিক আনন্দ মোৰ
আন ক’ত নাই।

5হে প্ৰিয়, আপুনি ভাই আৰু অচিনাকি ভাই সকলৰ কাৰণে যেতিয়া কৰ্ম কৰিলে, সেয়া আছিল আপোনাৰ বিশ্বাসযোগ্যতাৰ অনুশীলন,
6তেওঁলোকে আপোনাত জন্ম হোৱা প্ৰেমক দেখিলে আৰু সাক্ষ্য ৰূপে মণ্ডলীৰ সন্মুখত আপোনাৰ প্ৰেমৰ বিষয়ে সাক্ষ্য দিলে। ঈশ্বৰৰ সন্তুষ্ট
হোৱাকৈ তেওঁলোকৰ যাত্ৰা পথত আপুনি আগবঢ়াই সাহায্য কৰিলে ভাল হ’ব। 7কিয়নো তেওঁলোকে অনা-ইহুদী সকলৰ পৰা একো নলৈ, প্ৰভুৰ
নামৰ কাৰণে ওলাই গৈছিল। 8এতেকে আমি সত্যৰ সহকাৰী হ’বলৈ, এনে লোক সকলক প্ৰতিপালন কৰা উচিত।

9মই মণ্ডলীলৈ কিছু কথা লিখিছিলো; কিন্তু তেওঁলোকৰ মাজত প্ৰাধান্যৰ অভিলাষী দিয়ত্ৰিফিয়ে মোৰ ক্ষমতা স্বীকাৰ নকৰে। 10এই কাৰণে মই
যদি যাওঁ, তেতিয়া তেওঁ কৰা সকলো কৰ্ম মই তেওঁক সোঁৱৰাম, তেওঁ আমাৰ বিৰুদ্ধে হাস্যকৰ ভাবে অসৎ কথাবোৰ কয়; আৰু এই কৰ্মবোৰৰ
সৈতে কোনো কৰ্মসূচী নথকাত, তেওঁলোকে নিজেও ভাই সকলক গ্ৰহণ নকৰে আৰু গ্ৰহণ কৰিব খোজা সকলোকো বাৰণ কৰি মণ্ডলীৰ পৰা
বাহিৰ কৰে।

11হে প্ৰিয়, আপুনি দুষ্কৰ্মৰ অনুকাৰী নহ’ব, কিন্তু সৎ কৰ্মৰ অনুকাৰী হওক। যি জনে সৎ কৰ্ম কৰে, তেওঁ ঈশ্বৰৰ হয়; যি জনে দুষ্কৰ্ম কৰে, তেওঁ
ঈশ্বৰক দেখাই নাই। 12দীমীত্ৰিয় সকলোৰে বাবে সাক্ষ্য, এনে কি, স্বয়ং সত্যৰ দ্বাৰায়ো সাক্ষ্য দিয়া হৈছে; আমিও সাক্ষ্য দিছোঁ; আৰু আমাৰ
সাক্ষ্য যে সত্য,[1] সেই বিষয়ে আপুনি জানে।

13আপোনালৈ লিখিবৰ বাবে মোৰ অনেক কথা আছিল; কিন্তু চিয়াঁহী আৰু কলমেৰে লিখিবলৈ মই ইচ্ছা নকৰোঁ; 14বৰং আশা কৰোঁ যে,
আপোনাক অতি সোনকালে দেখিবলৈ পাম আৰু তেতিয়া মুখা-মুখি হৈ কথা-বতৰা পাতিম। 15আপোনাৰ শান্তি হওক। আপোনাৰ বন্ধু
সকলে[2] আপোনাক সম্ভাষণ জনাইছে। আপুনিও আপোনাৰ বন্ধু সকলক[3] মোৰ নামেৰে সম্ভাষণ জনাব।

---

1:12 [1]
1:15 [2]
1:15 [3]

# অবদানকাৰী

## Assamese Unlocked Literal Bible অবদানকাৰী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকাৰী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community